# কমলাকান্ত ভট্টাচাৰ্য আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত দেশপ্ৰেম

ড° কল্পনা শৰ্মা কলিতা
*সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ*
*কটন বিশ্ববিদ্যালয়*

**সংক্ষিপ্তসাৰ ঃ** গদ্য-পদ্য উভয় শাখাতে সাহিত্যিক অৱদান থাকিলেও কমলাকান্ত ভট্টাচাৰ্য আৰু অম্বিকাগিৰী ৰায়চৌধুৰী কবি হিচাপেহে অসমীয়া সাহিত্য জগতত পৰিচিত। দুয়োগৰাকী কবিয়ে দেশপ্ৰেমৰ ভাৱেৰে উদ্বুদ্ধ হৈ কবিতাত সেই প্ৰেমৰ বৰ্হিপ্ৰকাশ ঘটাইছে আৰু অসমীয়া জাতিৰ মনত দেশপ্ৰেমৰ ভাব জগাই তুলিবলৈ যত্ন কৰিছে। অসমীয়া জাতিৰ অতীতৰ গৌৰৱময় ইতিহাসৰ কথা অসমীয়াক সোঁৱৰাই দি কবি দুগৰাকীয়ে কৰ্মবিমুখ হৈ পৰা অসমীয়াৰ মনত কৰ্মস্পৃহা জগাবলৈ যত্ন কৰিছে। সোণৰ অসম গঢ়াৰ আশা মনত পুহি ৰখা কবি দুগৰাকীৰ দেশপ্ৰেমমূলক কবিতাবোৰৰ মাজেৰে কবিৰ কেনে ধৰণৰ মনোভাৱ প্ৰকাশ পাইছে তাৰ বিষয়ে ইয়াত আলোচনা কৰা হ'ব।

**সূচক শব্দ ঃ** দেশপ্ৰেমমূলক কবিতা, কৰ্মবিমুখিতা, আশাবাদ, জাতীয়তাবোধ, অসমীয়া।

**আৰম্ভণি**

দেশপ্ৰেম মানুহৰ স্বভাৱজাত। নিজৰ আইক ভাল পাবলৈ যিদৰে কাকো শিকাব নালাগে, তেনেদৰে নিজৰ দেশ বা জাতিটোক ভাল পাবলৈকো কোনো শিক্ষাৰ আৱশ্যকতা নাই। অসমীয়াৰ জাতীয় চেতনা ইতিহাস প্ৰসিদ্ধ। ১৭ বাৰকৈ মোগলৰ আক্ৰমণ প্ৰতিহত কৰা অসমীয়াৰ দেশপ্ৰেমৰ অভাৱ নাছিল। কিন্তু ঊনবিংশ শতিকাৰ আগভাগৰ পৰা এই মনোভাৱ যেন কিছু স্তিমিত হৈ পৰিল। পুনৰ আনন্দৰাম ঢেকিয়াল ফুকনে 'অৰুণোদই'ৰ মাজেৰে জাতীয়তাবাদৰ ধাৰা এটা নমাই আনিলে।

স্বৰ্গতকৈও গৰীয়সী জনমভূমিৰ প্ৰতি অসমৰ কবিসকল সদায়ে সৰৱ হৈ আহিছে। পৰাধীনতাৰ বান্ধোন ছিঙি স্বাধীনতাৰ আমেজ লৈ তেওঁলোকে অতীত অসমৰ গৌৰৱ সুঁৱৰি জনমভূমিৰ গুণগান গাইছে আৰু অইনকো তাৰ বাবে অনুপ্ৰাণিত কৰিছে। অসমীয়া কাব্যজগতত লক্ষ্মীনাথ বেজবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য, অম্বিকাগিৰী ৰায়চৌধুৰী, শৈলধৰ ৰাজখোৱা, ডিম্বেশ্বৰ নেওগ, বিনন্দ চন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ ফুকন, দেৱকান্ত বৰুৱা, নলিনীবালা

দেৱী, জ্যোতিপ্ৰসাদ আগৰৱালা আদিয়ে দেশপ্ৰেমমূলক কবিতা ৰচনা কৰি তেওঁলোকৰ জাতীয়তাবাদৰ আদৰ্শ কবিতাত প্ৰকাশ কৰি গৈছে। উক্ত কবিসকলৰ ভিতৰত কমলাকান্ত ভট্টাচাৰ্য আৰু অম্বিকাগিৰী ৰায়চৌধুৰী আছিল ব্যতিক্ৰম। কাৰণ যি গভীৰ অনুভূতিৰে তেওঁলোকে দেশপ্ৰেমৰ ভাব কবিতাৰ মাজেৰে প্ৰকাশ কৰিছে সিমানখিনি আন কোনো অসমীয়া কবিয়ে কৰিব পৰা নাই। দেশৰ মানুহ, দেশৰ মাটি, দেশৰ ভাষা, দেশৰ সংস্কৃতিৰ প্ৰতি তেওঁলোকৰ আছিল গভীৰ টান। অসমীয়াৰ মনত জাতীয় সত্তা জগাই তোলাত তেওঁলোকে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

**অধ্যয়নৰ উদ্দেশ্য**

এই আলোচনাত দুয়োগৰাকী কবিৰ কবিতাত দেশপ্ৰেমৰ ভাব কিদৰে প্ৰকাশ পাইছে তাৰ আলোচনা কৰাৰ লগতে দুয়োজনৰ কবিতাৰ ভাবাৰ্থ প্ৰকাশৰ এটি তুলনামূলক আলোচনাও আগবঢ়োৱা হ'ব।

**অধ্যয়নৰ পদ্ধতি**

মূল গ্ৰন্থ আৰু প্ৰসঙ্গ গ্ৰন্থ অধ্যয়ন কৰি বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা কৰাৰ লগতে দুয়োগৰাকী কবিৰ দেশপ্ৰেমমূলক কবিতাৰ এটি তুলনামূলক আলোচনাও ইয়াত কৰা হ'ব।

**মূল আলোচনা**

অগ্নিকবিৰূপে খ্যাত কমলাকান্ত ভট্টাচাৰ্যৰ কাব্যচৰ্চা আৰম্ভ হয় 'অৰুণোদই'ৰ পাতত। ছাত্ৰ অৱস্থাৰ পৰাই দেশপ্ৰেমৰ মনোভাৱে তেওঁৰ মন জাগ্ৰত কৰি ৰাখিছিল। 'অৰুণোদই'ত প্ৰকাশ পোৱা কবিতাত এনে ভাৱৰ উমান পোৱা যায়। সংখ্যাৰ লেখেৰে তেওঁৰ সাহিত্যকৰ্ম সীমিত; কিন্তু বৈচিত্ৰ্যপূৰ্ণ জীৱনৰ অভিজ্ঞতা, সুগভীৰ জাতীয় চৈতন্য, যুক্তিবাদী চিন্তা আৰু দৃষ্টিয়ে সিবিলাকক অনন্য মাত্ৰা দান কৰিছে। অসমীয়া জাতিৰ প্ৰাণত সুপ্ত হৈ থকা জাতীয়তাবোধ জগাই তুলিবলৈ তেওঁ হাতত কলম তুলি লৈছিল। 'অৰুণোদই'ত সাহিত্য চৰ্চাৰ পাতনি মেলা ভট্টাচাৰ্যই জোনাকী, বাঁহী, আসাম হিতৈষী, আৱাহন, চেতনা আদিতো সাহিত্যচৰ্চা কৰিছিল। তেওঁৰ ৰচনাত প্ৰকাশ পাইছিল অসমীয়া জাতিৰ সাৰ্বিক প্ৰগতি কামনাৰ মনোভাৱ।

গদ্য-পদ্য উভয় দিশত অৰিহণা যোগোৱা কবিগৰাকীৰ কাব্যপুথি দুখন। 'চিন্তানল' (১৮৯০) আৰু 'চিন্তাতৰংগ' (১৯৩৩) 'কঃপন্থা' (১৯৩৪) তেওঁৰ একমাত্ৰ প্ৰবন্ধ পুথি। তেওঁৰ কবিতা গভীৰ স্বদেশানুৰাগত দীপ্ত। স্বাধীনতা আন্দোলনৰ সৈতে ঘনিষ্ঠ হোৱা কবিৰ কবিতাত অতীত ইতিহাসৰ মহিমামণ্ডিত কাহিনী প্ৰকাশ পোৱাৰ লগতে এই অতীতৰ শৌৰ্য-বীৰ্যই উদ্দীপিত কৰিব নোৱাৰা অসমীয়া জাতিৰ প্ৰতি কবিৰ ক্ষোভও প্ৰকাশ পাইছে। কবিৰ মতে মনৰ পৰাধীনতাহে আচল পৰাধীনতা। গতিকে দুৰ্বল মনৰ অসমীয়া জাতিৰ অধঃপতনে বিহ্বল কৰি তোলাত কবিয়ে অসমীয়া জাতিটোক তিৰস্কাৰ কৰিছে—

অসম জননী জনম দুখুনী  
দুখীয়া সোৰোপা তাৰ কুসন্তান,  
অপমান জ্ঞান নকৰে অলপো  
নিজ হীনতাত নাই অভিমান?

(পূৰ্ণিমাৰ ৰাতিলৈ চাই)

আত্মবিস্মৃত অসমীয়া জাতিক ভ্ৰমৰ পৰা মুক্ত কৰিবলৈ তেওঁ 'জাতীয় গৌৰৱ' আৰু 'পাহৰণি'ৰ দৰে কবিতা ৰচনা কৰিছে। তেজপুৰৰ কছাৰীঘাটত পৰি থকা এছটা শিলৰ বুকুত অতীতৰ গৌৰৱময় ইতিহাস শুই থকাৰ কথা অনুমান কৰিছে আৰু সেই ইতিহাসৰ প্ৰতি অসমীয়াৰ আওকণীয়া মনোভাৱ দেখি কবিৰ অন্তৰ দুখত দহিছে—

কোৱা পাহৰণি তোমাৰ পেটত  
কতনো ৰাখিছা বুৰঞ্জী সুমাই?  
চিন্তিলে এবাৰ মৰো পুৰি-দেই  
কত জাতি কীৰ্ত্তি খালা গিলি হায়।

(পাহৰণি)

কোনো এটা জাতিৰ ঐতিহ্য, সভ্যতা, সংস্কৃতি লুপ্ত কৰি পেলাব পৰা অপশক্তি পাহৰণিৰ গৰ্ভত অসমৰ

গুণ-গৰিমা সকলো হেৰাই গৈছে। তাকে দেখি কবিৰ অন্তৰ দুখেৰে ভৰি পৰিছে। দেশৰ প্ৰতি শ্ৰদ্ধা আৰু দেশৰ মংগল চিন্তা কৰাই হ'ল কবিৰ কবিতাত মূল সুৰ। বৰ্তমান অসমীয়াই অতীতৰ গৌৰৱ ধ্বজা উৰুৱাই ৰাখিব পৰা নাই বাবে কবিয়ে খেদ কৰিছে—

আশাৰ প্ৰতিমা পুৰণি জাতিৰ
নেৰাখিলা হায় অলপো চিন।
(পাহৰণি)

'নিচিনি আপোন পৰক শলাগা' অসমীয়া জাতিৰ মাজত একতাৰ অভাৱ। এই একতাৰ অভাৱেই অসমীয়া জাতি সত্তাক বিনাশ কৰি তাক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। বিদেশত স্মৃতিচিহ্নবোৰ সংৰক্ষিত কৰি ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ দৰে আমাৰ জাতিয়েও ঐক্যবদ্ধ হৈ স্মৃতিচিহ্নক আদৰ কৰি ঐতিহ্যৰ প্ৰতি সন্মান জন্মাব বুলি কবিয়ে আশা কৰিছে।

তেওঁৰ কবিতাৰ মূল বিষয় হৈছে জাতিৰ অনগ্ৰসৰতাৰ বাবে সৃষ্টি হোৱা কবিক হৃদয়ৰ যন্ত্ৰণা আৰু স্বদেশৰ প্ৰগতিৰ প্ৰতি কৰিব আকুলতা। সমাজ আৰু জাতিৰ সমস্যা হ'ল তেওঁৰ কাব্যৰ মূল উৎস। অসমীয়াৰ পুৰণি শৌৰ্য-বীৰ্যৰ লগত বৰ্তমানৰ ক্ষয়িষ্ণু অসমীয়া জাতিক তুলনা কৰি তেওঁ সমাজক স্বদেশ প্ৰেমৰ প্ৰতি উদ্বুদ্ধ কৰিবলৈ যত্ন কৰিছে। কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাৰ বিষয়ে সত্যেন্দ্ৰনাথ শৰ্মাই এইদৰে মন্তব্য কৰিছে—

"কবিতাবোৰ কমলাকান্তৰ স্বদেশপ্ৰেমৰ অগ্নিস্ফুলিঙ্গ। কবিতাবোৰত অসমীয়াৰ অতীত গৌৰৱ সুঁৱৰি আৰু বৰ্তমানৰ অধঃপতন আৰু পৰাধীনতালৈ দৃষ্টি কৰি আক্ষেপ কৰিছে আৰু দেশবাসীক উদাত্তস্বৰে উন্নতিৰ পথত আগবাঢ়িবলৈ আহ্বান জনাইছে। কমলাকান্তৰ কবিতাৰ ছন্দ সাৱলীল নহয় আৰু বৰ শ্ৰুতিমধুৰো নহয়; কিন্তু অনুভৱৰ তীব্ৰতা আৰু মৌলিক কল্পনাৰ অভাৱ নাই।" (শৰ্মা, ৩০৭)

'চিন্তানল' পুথিৰ 'উদ্‌গনি' শীৰ্ষক কবিতাৰ প্ৰধান বিষয় হৈছে এলেহুৱা অসমীয়া জাতিক আগুৱাই যাবলৈ দিয়া উদ্‌গনি। এই সন্দৰ্ভত কবিয়ে আন আন উন্নত দেশৰ উদাহৰণ দি অসমীয়াক উৎসাহ যোগোৱাৰ লগতে অসমীয়াই এলেহুৱা স্বভাৱ এৰি স্বদেশৰ মঙ্গলৰ বাবে আপোন প্ৰাণকো তুচ্ছ জ্ঞান কৰি আগুৱাই যাবলৈ অনুৰোধ কৰিছে—

"স্বৰ্গাদপি গৰীয়সী জন্মভূমি"
ভাবি উছৰগা আপোন প্ৰাণ (উদ্‌গনি)

তেনেদৰে 'পূৰ্ণিমাৰ ৰাতিলৈ চাই' কবিতাতো কবিয়ে সোণৰ অসমত বিদেশী প্ৰব্ৰজনকাৰীৰ বাবে হোৱা দুৰৱস্থাত দুখ অনুভৱ কৰিছে আৰু এই অৱস্থাৰ বাবে তেওঁলোকৰ এলেহুৱা স্বভাৱকে দোষাৰোপ কৰিছে। এলাহ খাটত শুই থকা অসমীয়া জাতি নিজৰ ঠাইতে ধৰুৱা হ'বলগীয়া হোৱাত তেওঁক পূৰ্ণিমাৰ জোনটিয়েও আনন্দ দিব পৰা নাই—

পূৰ্ণিমাৰ জোনটি ৰূপহী হাঁহিটি
এৰি হাত যোৰো কৰা পলায়ন।
তোমাৰ কিৰণ নকৰে শোভন
দুৰ্ভগা অসম পাপৰ বদন।
(পূৰ্ণিমাৰ ৰাতিলৈ চাই)

শ্মশানসদৃশ অসমত মৃতকসদৃশ অসমীয়া। তেওঁলোকৰ অজ্ঞানতাৰ সুযোগ লৈ বহুতে ঠগ-প্ৰবঞ্চনাও কৰিছে। নানা কু-সংস্কাৰেৰে আচ্ছন্ন অসমীয়া জাতিক তেওঁ সমালোচনাও কৰিছে—

ইপিনে বামুণ কৰে আচৰণ
মিছা কুসংস্কাৰ মানে ধৰ্ম্মসাৰ।
(এইনো আসাম নহয়নে, শ্মশান?)

'জাতীয় গৌৰৱ' কবিতাত কবিয়ে জাতিৰ গৌৰৱ অসমৰ সুযোগ্য কবিসকলক উপযুক্ত মৰ্যাদা নিদিয়াৰ বাবে অসমীয়াক ধিক্কাৰ দিছে। অসমৰ প্ৰতিভাসমূহক আদৰ নজনোৱাৰ বাবে কবিৰ অন্তৰত ক্ষোভৰ জুই জ্বলিছে—

স্বজাতি অসভ্য ঘিণি হয় সভ্য
পিতাৰ পুত্ৰৰ নাই পৰিচয়।
ই ৰূপ বচেৰা সন্তানৰ জ্ঞান
দিলাহে বিধাতা এই মাটিখান
ধিক্ অসমীয়া মানুহ নহয়

অসম শ্মশান নোহে কোনে কয়?

(জাতীয় গৌৰৱ)

সামাজিক বৈষম্যই যে অসমীয়াৰ দুৰৱস্থাৰ কাৰণ, সেই কথা কবিয়ে ভালদৰে উপলব্ধি কৰিছে। ‘হিমালয়ৰ প্ৰতি সম্বোধন’ কবিতাত কবিয়ে অহিংসভাৱেৰে নিজৰ মন পূৰ্ণ কৰি প্ৰকৃত দেশপ্ৰেমিক হ’বলৈ আহ্বান জনাইছে। কমলাকান্ত ভট্টাচাৰ্যই কবিতা লিখোঁতে কবিতাৰ বিষয়বস্তুলৈ বেছি গুৰুত্ব দিছিল। আংগিকত গুৰুত্ব নিদিয়াৰ বাবে কবিতাত ছন্দৰ বান্ধোন কিছু সোলোক-ঢোলোক হোৱা দেখা যায়। শব্দচয়নত তেওঁৰ মৌলিকতা প্ৰকাশ পাইছে। শোকৰ জোঙাল শেল, সভ্যতাৰ গপ, জপৰ ধন, ভ্ৰষ্ট আৰ্যগণ, পানীৰ মিঠৈ আদি শব্দৰ ব্যৱহাৰে তেওঁৰ কবিতাক এক বিশেষ মাত্ৰা দান কৰিছে।

অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীয়েও দেশপ্ৰেমমূলক কবিতা ৰচনা কৰি দেশৰ প্ৰতি গভীৰ অনুৰাগ প্ৰকাশ কৰিছে। দেশৰ মানুহ, দেশৰ মাটি, দেশৰ ভাষা, দেশৰ সংস্কৃতিৰ প্ৰতি তেওঁৰ আছে গভীৰ টান। অসমীয়াৰ মনত জাতীয় সত্তা জগাই তুলিবলৈ তেওঁ কবিতাৰ মাজেৰে আপ্ৰাণ চেষ্টা চলাইছে। জাতীয় চেতনাই বাউল কৰি তোলা অম্বিকাগিৰী ৰায়চৌধুৰীৰ ভালেমান কবিতা তেওঁৰ দেশ আৰু জাতিৰ প্ৰতি থকা ভালপোৱাৰ পৰিচায়ক। অসমত অসমীয়াৰ আঞ্চলিক স্থিতিৰ বাবে তেওঁ সদায়েই মাত মাতি আহিছে। দেশপ্ৰেম যেন তেওঁৰ জন্মজাত। তেওঁৰ জাতীয়তাবাদক বহুতে মানৱতাবাদ বুলিও আখ্যা দিছিল। জীৱনৰ আগবয়সত কাব্য সৃষ্টিৰ প্ৰেৰণাৰ উৎসৰূপে ভগৱানকে স্বীকৃতি দিয়া ৰায়চৌধুৰীয়ে পিছলৈ দেশসেৱাত এনেদৰে মগ্ন হৈ পৰিল যে তেওঁ দেশকেই ভগৱান আখ্যা দিলে। ‘দেশখান গেল, কিবা এটা কৰ’ বুলি সততে অসমীয়াক সকিয়াই থকা ৰায়চৌধুৰীয়ে দেশখনৰ দুৰ্দশা, ভৱিষ্যতৰ কথাকে চিন্তা কৰি কৰি শেষ নিশ্বাস ত্যাগ কৰা বুলি কব পাৰি।

‘শতধাৰ’ নামৰ বিদ্ৰোহী ভাৱাপন্ন প্ৰবন্ধ গ্ৰন্থ ৰচনা কৰি অসম চৰকাৰৰ ৰোষৰ বলি হোৱা ৰায়চৌধুৰীয়ে ছমাহ জেল খাটি তাৰ পৰা ওলায়ে ১৯২৬ চনৰ ৪ জুন তাৰিখে ‘অসম সংৰক্ষনী সভা’ স্থাপন কৰিছিল। ‘আজি বন্দো কি ছন্দেৰে’ শীৰ্ষক গীত ৰচি অসমীয়াক দেশপ্ৰেমত উদ্বুদ্ধ কৰা ৰায়চৌধুৰীয়ে চৰকাৰৰ নজৰবন্দী হৈ থাকিবলগীয়া হোৱাত অষ্টমমানতে স্কুলীয়া শিক্ষা শেষ কৰিবলগাত পৰিছিল। নজৰবন্দী হৈ থকা কালছোৱাত (১৯০৫-১৯১৪) তেওঁ গীত, কবিতা, নাট আদি ৰচনা কৰি তেওঁৰ জাতীয়তাবাদী চিন্তাৰ বহিৰ্প্ৰকাশ ঘটাইছিল।

ৰায়চৌধুৰীৰ মুঠ কবিতাৰ পুথি ছখন। তুমি(১৯১৬), বীণা(১৯১৬), অনুভূতি(১৯৫৪), স্থাপন কৰ স্থাপন কৰ(১৯৫৮) বেদনাৰ উল্কা(১৯৬০) আৰু দেশেই ভগৱান(১৯৬৫)। অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত দুটা ভিন্ন সুঁতি দেখা যায়। এবিধ অতীন্দ্ৰিয়বাদী আৰু আনবিধ জাতীয় চেতনাৰে সিক্ত দেশপ্ৰেমভাৱৰ। তুমি, বীণা, আৰু অনুভূতিৰ কবিতাসমূহৰ মাজেৰে অতীন্দ্ৰিয়বাদী আধ্যাত্মিক প্ৰেমৰ ভাৱ প্ৰকাশ পাইছে। আনহাতে অইন তিনিখন কাব্যপুথিৰ মাজেৰে তেওঁৰ দেশপ্ৰেম প্ৰকাশ পাইছে। ‘বেদনাৰ উল্কা’ৰ সৰহ সংখ্যক কবিতাৰ মাজেৰে দুৰ্নীতি, কৰ্মবিমুখিতা, ধনলোভ, ৰাজনৈতিক ভ্ৰষ্টাচাৰ আদি ভাৱ প্ৰকাশ পাইছে। তেওঁ ‘দেশেই ভগৱান’ কাব্যগ্ৰন্থৰ কবিতাৰ দ্বাৰা দেশমাতৃৰ বন্দনা কৰিছে। তেওঁৰ কবিতাৰ মাজেৰে অসমৰ গৌৰৱময় ঐতিহ্যৰ কথা প্ৰকাশ পাইছে। ‘স্থাপন কৰ, স্থাপন কৰ’ কবিতাপুথিৰ কবিতাৰ মাজেৰে অসমৰ ৰাজনৈতিক নেতাসকলৰ স্বদেশ প্ৰেমৰ দৈন্য, স্বজন প্ৰীতি, বৈষম্যনীতিৰ কথা প্ৰকাশ কৰিছে আৰু সিবোৰৰ কৰুণ পৰিণতিৰ কথা কৈ কবিয়ে ক্ষোভ উজাৰিছে। অৱশ্যে নিৰাশাৰ মাজতো আশাৰ ৰেঙনি দেখা কবিয়ে গঠনমূলক চিন্তাধাৰাৰে অসমবাসীক প্ৰকৃত পথ দেখুৱাই গৈছে-

তই স্থাপন কৰ স্থাপন কৰ
তোৰ ভাৱৰ বাহন জ্ঞানৰ বাহন
ধৰ্মাৰ্থ কাম মোক্ষ বাহন
মাতৃভাষাৰ সোণৰ আসন স্থাপন কৰ স্থাপন কৰ
(স্থাপন কৰ স্থাপন কৰ)

দেশখনৰ মাটি, পানী, বায়ু, মানুহ সকলো ৰায়চৌধুৰীৰ অতি আপোন। অসম মাতৃক নিজ মাতৃৰূপে জ্ঞান কৰা এই কবিগৰাকীৰ দেশৰ প্ৰতি অসীম শ্ৰদ্ধা, অপাৰ আনুগত্য। দেশখন অবিহনে তেওঁৰ জীৱন অসাৰ্থক—

দেশৰ বিহনে জনম নাই
জনম নহ'লে জীৱন নাই
জীৱন হেৰালে ভগৱান নাই। (দেশেই ভগৱান)

স্বাধীন সত্তা লৈ দেশত জীয়াই থাকিবলৈ হ'লে মানুহ কৰ্মমুখী হ'ব লাগিব। দেশ, জাতি, সংস্কৃতি উছন নাযাবলৈ হ'লে আমি সকলোৱে দেশৰ বাবে কাম কৰিব লাগিব। তেতিয়াহে দেশৰ পৰা দৰিদ্ৰতা আঁতৰিব। জীৱন অমৃত ৰসেৰে ভৰি পৰিব। জড়তাৰ জাল ফালি দেশবাসী সক্ৰিয়ভাৱে দেশৰ মংগলৰ বাবে কাম কৰাৰ কথা কবলৈ গৈ কবিয়ে কৈছে—

মৰামুৰা দেশখনি তোৰ নদন বদন কৰ গঢ়ি
কামত ধৰ কামত ধৰ
জীৱনটো তোৰ সফল কৰ।
(বেদনাৰ উল্কা)

'দেশ ৰক্ষাৰ, জাতি ৰক্ষাৰ শ্ৰমৰ যোগত শূণ্যফল' বুলি তেওঁ এলেহুৱা ডেকাসকলক তিৰস্কাৰ কৰিছিল। যিজন লোকৰ মনত দেশ সেৱাৰ ভাৱ জগা নাই, সেইজন লোক সকলোৰে ঘৃণাৰ পাত্ৰ হৈ পৰে। দেশৰ বায়ু, পানী সেৱন কৰি পুষ্ট হোৱা প্ৰতিজন লোকেই দেশমাতৃৰ ওচৰত ঋণী। গতিকে সকলোৱে দেশমাতৃৰ হকে কাম কৰিবলৈ আগবাঢ়ি আহি সেই ঋণ পৰিশোধ কৰিব লাগে—

মাতৃৰ সেৱাত
প্ৰাণ নিদিলে
জীৱন ধৰাৰ সকামটো হ'ল কি?
(বেদনাৰ উল্কা)

শত্ৰুক বিনাশ কৰি জনমভূমিক ৰক্ষা কৰাটো প্ৰতিজন ভাৰতীয়ৰ কৰ্তব্য। শত্ৰুৰ ভয়ত পিছ হুহকি থকাজনক তেওঁ 'নৰকৰ কীট' আখ্যা দিছে। দেশৰ প্ৰহৰী হৈ স্বৰ্গ, মৰ্ত্য, কঁপাই তুলি আগ্নেয়গিৰিৰ দৰে উদ্‌গীৰণ হ'বলৈ সঁকীয়াই দিছে। কবিয়ে নিজেও তাণ্ডৱ ৰূপ ধৰি বিপ্লৱৰ সূচনা কৰিব বিচাৰিছে—

সৃষ্টিৰ স্নায়ু ধুনাধুন কৰি উতলি
উঠিছে বিপ্লৱ মোৰ
উতলি উঠিছে বিপ্লৱ,
ব্ৰহ্মাণ্ডৰ মেৰু প্ৰকম্পি দাপিছে
দাৰুণ তাণ্ডৱ মোৰ,
দাপিছে দাৰুণ তাণ্ডৱ। (অনুভূতি)

জেলত থাকোতে সকলো কাৰাবন্দীকে কিছুমান কাম কৰিবলৈ দিয়া হৈছিল। ৰায়চৌধুৰীকো শিলগুটি ভঙা, ঠাই সৰা কাম কৰিবলৈ দিছিল। এনে অভিজ্ঞতাৰে তেওঁ 'ধৰ ঝাড়ু ধৰ ভাই', 'গঢ়া কৰি মোক ঝাড়ুদাৰ' আদি কবিতা ৰচনা কৰে। এনেবোৰ কবিতাৰ মাজেৰে তেওঁৰ দেশৰ প্ৰতি থকা অসীম শ্ৰদ্ধাৰ ভাৱ প্ৰকাশ পাইছে। দেশ সেৱা কৰি মানৱতা জীয়াই ৰখাজনৰ শতজনমৰ কলংক কালিমা আঁতৰি যোৱাৰ দৰে কবিয়েও জাতিটোৰ মাজত থকা কলুষ কালিমা নিজে ঝাড়ুদাৰ হৈ সাৰি পুচি নিকা কৰিব বিচাৰিছে—

তোমাৰ সৃষ্টি কদাকাৰ কৰা মলি মামৰৰ দ'ম
বিশ্বৰ পৰা সাৰি-পুচি আনি ময়েই গৰাকী হ'ম
তাৰ ময়েই গৰাকী হ'ম। (অনুভূতি)

ৰায়চৌধুৰী হ'ল যথেষ্ট আশাবাদী। ডেকা শক্তিৰ উদাসীনতাই তেওঁক হতাশ কৰে যদিও ডেকা শক্তিৰ ওপৰত তেওঁৰ আস্থা আছে। সেয়ে মনৰ এলাহ অৱসাদ আঁতৰাই সুন্দৰ ভৱিষ্যতৰ আশা পুহি ৰাখিবলৈ তেওঁ সকলোকে অনুৰোধ কৰিছে। মেৰু পোনাই, বুকু ফিন্দাই থাকিবলৈ কৈছে। নহ'লে যে শত্ৰুৱে ছল পাব। 'মাটিয়েই দেশ, দেশেই আত্মা' বুলি কোৱা কবিয়ে আত্মৰক্ষাৰ যুঁজখনত পৰাজয় হ'লেও আক্ষেপ কৰিবলৈ বাধা দিছে। দেশৰ প্ৰতিজন নাগৰিকক শত্ৰুৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা কবিয়ে কৈছে—

উঠা উঠা তত্‌সাৰ লৈ গিৰিসাই,
মুহূৰ্তও সময় যে নাই

যায়, যায় যায়- দেশ জাতি যায়-
যাৰ যি আছে অস্ত্র-সমল হাতে হাতে লোৱা।
(বেদনাৰ উল্কা)

অম্বিকাগিৰী ৰায়চৌধুৰীয়ে সদায় অনা-অসমীয়াৰ অসমীয়াৰ ওপৰত কৰা আৰ্থিক আৰু সাংস্কৃতিক আক্ৰমণৰ বিৰোধিতা কৰি আহিছিল। ‘অনুপ্ৰবেশ’ ‘অনুপ্ৰবেশ’ বুলি চিঞৰি থকা ৰায়চৌধুৰীৰ কথালৈ তাহানিতে অসমৰ ৰাইজে মনকাণ কৰিলে আজি অসমীয়া জাতি অসমতে এলাগী হৈ নপৰিলহেঁতেন। জ্বলন্ত অগ্নিপিণ্ডৰ দৰে তেওঁৰ অন্তৰৰ ভাব-অনুভূতিৰে সিক্ত সাহিত্যলানিয়ে আমাক সদায় শুনাই থাকিব দেশপ্ৰেমৰ বাণী, যোগাই থাকিব অফুৰন্ত অনুপ্ৰেৰণা।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে কমলাকান্ত ভট্টাচাৰ্য আৰু অম্বিকাগিৰী ৰায়চৌধুৰী দুয়োজন আজন্ম দেশপ্ৰেমিক। দুয়োৰে দেহৰ তেজত স্বদেশপ্ৰেমৰ ভাৱ প্ৰবাহিত হৈ আছে। সেয়ে দুয়োজনৰ কবিতাৰ মাজেৰে দেশ, সমাজ আৰু অসমীয়া জাতিৰ প্ৰতি থকা প্ৰেম-ভালপোৱাৰ ভাব ফুটি উঠিছে। অতীত অসমৰ শৌৰ্য-বীৰ্য, গুণ গৰিমাক লৈ দুয়োজন গৌৰৱান্বিত আৰু সেই গৰিমাক অসমীয়াই গুৰুত্ব নিদিয়াৰ বাবে দুয়োজনে অতি দুখ পাইছে। অসমীয়াৰ অনগ্ৰসৰতাৰ কাৰণ যে তেওঁলোকৰ এলেহুৱা স্বভাৱ, সেই কথা কবি দুগৰাকীয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছে আৰু এলাহ ত্যাগ কৰি অসমীয়াক কৰ্মমুখী হ'বলৈ আহ্বান জনাইছে। দুয়োগৰাকী কবিৰ কবিতাত আশাবাদ প্ৰকাশ পাইছে। অম্বিকাগিৰী ৰায়চৌধুৰীয়ে গঠনমূলক চিন্তা কৰি সোণৰ অসম স্থাপন কৰাৰ আশা মনত পুহি ৰাখিছে। আনহাতে কমলাকান্ত ভট্টাচাৰ্যই আশা কৰিছে যে এদিন হ'লেও অসমীয়া জাতিয়ে পাহৰণিৰ গৰ্ভৰ পৰা ওলাই আহি অতীত অসমৰ শৌৰ্য-বীৰ্য, গুণ-গৰিমাৰ দ্বাৰা অনুপ্ৰাণিত হৈ দেশৰ হকে কাম কৰিব। দেশৰ স্বাধীনতাৰ হকে দুয়োগৰাকী কবিয়ে যৎপৰোনাস্তি চেষ্টা কৰিছিল যদিও অম্বিকাগিৰী ৰায়চৌধুৰীয়ে ৰজাঘৰীয়াৰ ৰোষৰ বলি হৈ অনেক দুখ-কষ্ট ভোগ কৰিবলগীয়া হৈছিল। সেয়ে কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাতকৈ অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত ৰাজনৈতিক ভ্ৰষ্টাচাৰ, দুৰ্নীতি, ধনলোভ আদি ভাব বেছিকৈ প্ৰকাশ পাইছে। তুলনামূলকভাৱে ৰায়চৌধুৰীৰ কবিতাত বৈপ্লৱিক চিন্তাৰ প্ৰকাশো অধিক। দুয়োগৰাকী কবিৰ কবিতাত বিষয়বস্তুৱে মুখ্যস্থান পালেও ৰায়চৌধুৰীয়ে কবিতাৰ আংগিকত গুৰুত্ব দিয়া দেখা যায়। ছন্দৰ সাৱলীলতা, উদাত্ত ভাৱ বহনকাৰী শব্দৰ সুপ্ৰয়োগ আদি ৰায়চৌধুৰীৰ কবিতাত পৰিলক্ষিত হয়। আনহাতে ভট্টাচাৰ্যৰ কবিতাৰ ভাষাত অনুভৱৰ তীব্ৰতা আৰু মৌলিকতা লক্ষ্য কৰা যায়।

**প্ৰসঙ্গ পুথি**

গোস্বামী, প্ৰফুল্ল দত্ত(সম্পা.)। *কমলাকান্ত ভট্টাচাৰ্যৰ ৰচনাৱলী*। অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ২০০৭

তালুকদাৰ, নন্দ। *কবি আৰু কবিতা*। বনলতা, ডিব্ৰুগড়, ১৯৮৮

শৰ্মা, সত্যেন্দ্ৰনাথ। *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*। সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং, গুৱাহাটী, ১৯৮৪

শৰ্মা, সত্যেন্দ্ৰনাথ(সম্পা.)। *অম্বিকাগিৰী ৰায়চৌধুৰীৰ ৰচনাৱলী*। অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ২০০৩